জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ২৫৭/২০২১**

## কৃষি, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ অধীনৰ বিভিন্ন আঁচনি আৰু কাম-কাজৰ বিস্তৃত পৰ্যালোচনা কৰিলে মুখ্যমন্ত্ৰীয়ে

### আগন্তুক ৫ বছৰৰ ভিতৰত কৃষি বিভাগক ৰাজ্যখনৰ সবাতোকৈ শক্তিশালী বিভাগ হিচাপে গঢ়ি তোলাৰ বাবে আত্মনিয়োগ কৰিবলৈ কৃষি বিভাগৰ বিষয়াসকলক মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ১০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি খানাপাৰাস্থিত কৃষি সঞ্চালকালয় চৌহদৰ কৃষি নিৰাসত অনুষ্ঠিত এক পৰ্যালোচনা বৈঠকত কৃষি, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ দ্বাৰা ৰূপায়িত হৈ থকা বিভিন্ন আঁচনিৰ পৰ্যালোচনা কৰে। পৰ্যালোচনা বৈঠকত মুখ্যমন্ত্ৰীয়ে কয় যে আগন্তুক ৫ বছৰৰ ভিতৰত কৃষি বিভাগক ৰাজ্যখনৰ সকলোতকৈ শ্ৰেষ্ঠ বিভাগ হিচাপে গঢ়ি তোলাৰ দিশত কৃষি, উদ্যান শস্য ইত্যাদি বিভাগসমূহৰ বিষয়া-কৰ্মচাৰীসকলে নতুন চিন্তা আৰু উদ্ভাৱনীমূলক পদক্ষেপেৰে আগবাঢ়িব লাগিব। ৰাজ্যখনৰ কৃষকসকলে যাতে সৰ্বাধিকভাৱে লাভান্বিত হ'ব পাৰে তাৰ বাবে পদক্ষেপসমূহ সৰলীকৰণ কৰিব লাগিব। কৃষকে যাতে মানসম্পন্ন বীজ আৰু উপযুক্ত সাৰ বাধাহীনভাৱে লাভ কৰিব পাৰে সেইটো সুনিশ্চিত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পূৰ্বৰে পৰা কৃষি অসমৰ জনসাধাৰণৰ এক বাপতিসাহোন সম্পত্তি আছিল বুলি উল্লেখ কৰি কৃষি অৰ্থনীতি শক্তিশালী কৰাৰ দিশত আমি সকলোৱে সন্মিলিতভাৱে আত্মনিয়োগ কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বিভাগে যাতে আগন্তুক সময়ত নতুন মন আৰু প্ৰত্যয়েৰে আগবাঢ়িব পাৰে তাৰ বাবে সন্মিলিতভাৱে প্ৰয়াস চলাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগৰ বিষয়াসকলক কয়। বিগত পাঁচ বছৰত কৃষি বিভাগৰ এক কাঠামো নিৰ্মাণ হৈছিল বুলি উল্লেখ কৰি এই কাঠামোৰ ওপৰত ভিত্তি কৰি আগন্তুক ৫ বছৰত কৃষি বিভাগক এক শক্তিশালী বিভাগ হিচাপে পৰিগণিত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগৰ সামগ্ৰিক আন্তঃগাঁথনি, কৃষি বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ আঁচনি, উদ্যান শস্য আৰু খাদ্য সংসাধন, অসম বীজ নিগম, অসম বীজ প্ৰামাণিকৰণ সংস্থাৰ কাম-কাজসমূহো পৰ্যালোচনা কৰে। বৈঠকত কৃষি বিভাগৰ সঞ্চালক, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ সঞ্চালক, অসম বীজ নিগম লিমিটেডৰ পৰিচালন সঞ্চালক, অসম বীজ প্ৰামাণিকৰণ সংস্থাৰ সঞ্চালকে সুকীয়া সুকীয়া প্ৰেজেন্টেশ্যনেৰে মুখ্যমন্ত্ৰীক বিভাগকেইটাৰ কাম-কাজ আৰু বিভিন্ন আঁচনিৰ বিষয়ে অৱগত কৰে।

আজিৰ এই বৈঠকতে মুখ্যমন্ত্ৰীয়ে কৃষি বিভাগৰ অধীনত খালী হৈ থকা বিষয়া-কৰ্মচাৰীৰ পদসমূহ অতিশীঘ্ৰে পূৰণ কৰাৰ যাৱতীয় ব্যৱস্থা কৰিবলৈ বিভাগৰ সঞ্চালকক নিৰ্দেশ দিয়ে। নিয়োগ প্ৰক্ৰিয়া ত্বৰান্বিত কৰাৰ বাবে এক সুকীয়া নিয়োগ কোষ গঠন কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। তদুপৰি বিভাগৰ কৰ্মশক্তি বঢ়োৱাৰ বাবে বিষয়াসকলৰ পদোন্নতিৰ প্ৰক্ৰিয়াৰ যাৱতীয় পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে। কিছু

সংখ্যক জিলাত বিভাগৰ কাৰ্যবাহী অভিযন্তাৰ পদ খালী আছে বুলি মুখ্যমন্ত্ৰীক অৱগত কৰাত মুখ্যমন্ত্ৰীয়ে যিসমূহ জিলাত কাৰ্যবাহী অভিযন্তাৰ পদ খালী আছে সেই জিলাসমূহৰ বাবে এই পদ সৃষ্টিৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। তদুপৰি বিভাগৰ সমগ্ৰ অসমতে থকা কাৰ্যালয় তথা অন্যান্য ক্ষেত্ৰসমূহৰ এক 'এচেট ৰেজিষ্টাৰ' প্ৰস্তুত তথা এটা সুকীয়া 'পাৰ্মেনেন্ট এচেট পোৰ্টেল' ১৫ দিনৰ ভিতৰত নিৰ্মাণ কৰাৰ বাবেও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। এই এচেট পোৰ্টেল প্ৰতি বছৰে অদ্যৱধিকৰণৰ পদক্ষেপ ল'বলৈও তেওঁ নিৰ্দেশ দিয়ে। তদুপৰি বীজৰ বিতৰণ প্ৰক্ৰিয়াটো সংহত কৰাৰ বাবে বীজ সংগ্ৰহ আৰু বিতৰণৰ বাবে এক সুকীয়া চিড পোৰ্টেল নিৰ্মাণৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে যাতে প্ৰকৃত হিতাধিকাৰীয়ে উন্নত মানৰ বীজ লাভ কৰাটো নিশ্চিত কৰিব পৰা যায়।

আজিৰ এই পৰ্যালোচনা কালতে মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনা, ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা অভিযান, প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা ইত্যাদিৰ অধীনত ৰূপায়িত হৈ থকা বিভিন্ন কাম-কাজৰো পৰ্যালোচনা কৰে। বৈঠকত ইউৰিয়াকে ধৰি ৰাসায়নিক সাৰৰ যাতে এক সংহত বিতৰণ প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা যায় আৰু এই ক্ষেত্ৰত কৃত্ৰিম নাটনি বা মূল্যবৃদ্ধিৰ পৰা কৃষকক ৰেহাই দিব পৰা যায় সেই দিশটোও আলোচনা কৰা হয়। ইয়াৰ বাবে মুখ্যমন্ত্ৰীয়ে তিনিমাহৰ ভিতৰত এক সংহত প্ৰক্ৰিয়া গঢ়ি তোলাৰ বাবে বিভাগক নিৰ্দেশ দিয়ে। কেন্দ্ৰীয় আঁচনিসমূহৰ পুঁজি যাতে সৰ্বাধিক ব্যয় কৰি কৃষকক উপকৃত কৰিব পৰা যায় এই দিশটো ভালদৰে চোৱা-চিতা কৰাৰ বাবে প্ৰত্যেকখন জিলাৰ কৃষি বিষয়াৰ কাৰ্যালয়ত এগৰাকী প্ৰগ্ৰেম অফিচাৰ, একাউণ্টচ অফিচাৰ আৰু মিডিয়া এক্সপাৰ্ট নিয়োগ কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে আজিৰ বৈঠকত নিৰ্দেশ দিয়ে। আনহাতে ৰাজ্যখনৰ উদ্যান শস্যৰ দিশত থকা প্ৰচুৰ সম্ভাৱনীয়তাৰ দিশটোৰ ওপৰত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে উদ্যান শস্যৰ লগত জড়িত প্ৰগতিশীল কৃষকৰ সৈতে অচিৰেই এক মত-বিনিময় কাৰ্যসূচী অনুষ্ঠিত কৰাৰ পদক্ষেপ ল'বলৈও নিৰ্দেশ দিয়ে। আজিৰ বৈঠকতে মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনত মানসম্পন্ন বীজ উৎপাদনৰ পৰিমাণ বৃদ্ধিৰ বাবে কৃষি বিভাগৰ অধীনস্থ তথা অসম বীজ নিগমৰ অধীনস্থ বীজ পামসমূহ পুনৰুজ্জীৱিতকৰণৰ দ্ৰুত পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। তদুপৰি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ক্ষতিকাৰক ৰাসায়নিক সাৰ তথা কীটনাশকৰ প্ৰয়োগে জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনাৰ দিশটো পুঙ্খানুপুঙ্খভাৱে পৰীক্ষা কৰাৰ বাবে অসম কৃষি বিশ্ববিদ্যালয়ক দায়িত্ব অৰ্পণ কৰাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে।

অতিৰিক্ত মুখ্য সচিব ৰবিশংকৰ প্ৰসাদে আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই পৰ্যালোচনা বৈঠকত কৃষি মন্ত্ৰী অতুল বৰা, বিধায়ক জয়ন্ত মল্ল বৰুৱা, মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহা, কৃষি বিভাগৰ সঞ্চালক বিনোদ শেষাণ, উদ্যান শস্য আৰু খাদ্য সংসাধন বিভাগৰ সঞ্চালক ত্ৰিৰংগ ভাৰতীয় বৰাৰ লগতে কৃষি সঞ্চালকালয়ৰ বিভিন্ন আঁচনিৰ ৰূপায়ণৰ দায়িত্বত থকা নডেল বিষয়াসকল, জিলা কৃষি বিষয়া, কাৰ্যবাহী অভিযন্তাসকলে অংশগ্ৰহণ কৰে।

**বঃভাঃ**

**১০-০৯-২০২১**